**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-12-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::**

১। চাৰিগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে আজি অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ।

২। ২০২৫ৰ ভিতৰত ভাৰতবৰ্ষক যক্ষ্মা মুক্ত কৰাৰ উদ্দেশ্যে দেশজুৰি এশদিনীয়া সজাগতা কাৰ্যসূচী গ্ৰহণ। সহমৰ্মিতা আৰু সহযোগিতাৰে দেশবাসীক এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান।

৩। কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে সৰ্বতোপ্ৰকাৰৰ প্ৰচেষ্টা চলাইছে বুলি ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ অষ্টলক্ষ্মী মহোৎসৱত প্ৰকাশ।

৪। ডুবাইত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ সভাত বিচিচিআইৰ যুটীয়া সচিব অসম সন্তান দেৱজিত শইকীয়াৰ ভাৰতক প্ৰতিনিধিত্ব। *আৰু*

৫। এদিলেইদত অনুষ্ঠিত বোৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয় টেষ্টত ভাৰতৰ দ্বিতীয় ইনিংছত ৫ উইকেটৰ বিনিময়ত ১২৮ ৰাণ সংগ্ৰহ।

০০০

চাৰিগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে আজি অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হয়। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত বিশেষ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই নতুন মন্ত্ৰীকেইগৰাকীক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। এই সম্প্ৰসাৰণৰ জৰিয়তে ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পাল আৰু ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাক নতুনকৈ মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰা হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা প্ৰশান্ত ফুকনে ডিব্ৰুগড় সমষ্টিৰ পৰা ৪ বাৰকৈ বিধায়ক হিচাপে নিৰ্বাচিত হৈছে। তেঁও অসম উদ্যোগিক উন্নয়ন নিগমৰ অধ্যক্ষ আৰু অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰিচালনা সমিতিৰ অধ্যক্ষ পদতো নিয়োজিত আছিল। একেদৰে পাথাৰকান্দি সমষ্টিক প্ৰতিনিধিত্ব কৰা নৱনিযুক্ত মন্ত্ৰী কৃষ্ণেন্দু পালে সমষ্টিটোৰ পৰা ২০১৬ আৰু ২০২১ চনত বিধায়ক হিচাপে নিৰ্বাচিত হৈছে। আনগৰাকী মন্ত্ৰী কৌশিক ৰায় লক্ষীপুৰ সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হৈছে। ডুমডুমা সমষ্টিৰ বিধায়ক নৱনিযুক্ত মন্ত্ৰী ৰূপেশ গোৱালাইও প্ৰথমবাৰৰ বাবে সমষ্টিটোৰ বিধায়ক হিচাপে প্ৰতিনিধিত্ব কৰিছে। আজি সন্ধিয়াৰ ভিতৰত মন্ত্ৰীসকলৰ বিভাগসমূহ ঘোষণা কৰাৰ সম্ভাৱনা আছে।

০০০

২০২৫ৰ ভিতৰত ভাৰতবৰ্ষক যক্ষ্মা মুক্ত কৰাৰ উদ্দেশ্যে দেশজুৰি কেন্দ্ৰীয় চৰকাৰে যক্ষ্মা ৰোগ নিৰ্মূলৰ বাবে এশদিনীয়া কাৰ্যসূচী গ্ৰহণ কৰিছে। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অধিক যক্ষ্মা আক্ৰান্ত ৰোগী থকা জিলাসমূহক কেন্দ্ৰ কৰি ৰোগটো নিৰ্মূল কৰিবলৈ হাতত লোৱা কাৰ্যসূচীত জনসাধাৰণৰ সক্ৰিয় সহযোগ আশা

কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে নতুন ঔষধ, প্ৰযুক্তিৰ ব্যৱহাৰ আৰু উন্নত নিদান প্ৰক্ৰিয়াৰ দ্বাৰা দেশবাসীয়ে যক্ষ্মা ৰোগৰ বিৰুদ্ধে যুঁজত অৱতীৰ্ণ হৈছে বুলি অৱগত কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে তেওঁ ৰোগীসকলৰ প্ৰতি সহমৰ্মিতা প্ৰদৰ্শন কৰাৰ লগতে ৰোগ নিৰ্মূলৰ ক্ষেত্ৰত তেওঁলোকক সম্পূৰ্ণ সহযোগিতা প্ৰদৰ্শন কৰিবলৈ দেশবাসীক আহ্বান জনায়। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি হাৰিয়ানাৰ পঞ্চকুলাত এশদিনীয়া যক্ষ্মা মুক্তকৰণ অভিযানৰ আৰম্ভণি কৰে। তেওঁ কয় যে, চৰকাৰে ভাৰতক যক্ষ্মা মুক্ত কৰাৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে।

**বাইট (জে পি নাড্ডা)**

ৰাজ্যতো যক্ষ্মা নিৰ্মূল অভিযানৰ আজি শুভাৰম্ভ কৰা হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্ৰেক্ষাগৃহত আজিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য উপস্থিত থকাৰ লগতে বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু অতুল বৰাইও অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অভিযানৰ অধীনত ৰাজ্যৰ ১৭ খন জিলাক অন্তৰ্ভুক্ত কৰা হৈছে।

এই উপলক্ষে **বৰপেটা** জিলাত আজি তৰুণৰাম ফুকন ৰঙ্গমঞ্চত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত জিলাখনৰ স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে। বৰপেটা জিলাত ৫৯৮ গৰাকী যক্ষ্মা ৰোগীৰ চিকিৎসা অব্যাহত আছে। অভিযানৰ আৰম্ভ কৰি জিলা আয়ুক্ত গীতাশ্ৰী লাচিতে কয়, যে এশ দিনৰ অভিযানত সজাগতামূলক কাৰ্যসূচী, যক্ষ্মা ৰোগী আদি চিনাক্তকৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। **কাৰ্বি আংলং** জিলাতো যক্ষ্মা ৰোগ মুক্ত কৰাৰ উদ্দেশ্যেৰে এশদিনীয়া অভিযানৰ আৰম্ভ কৰা হৈছে। এই উপলক্ষে জিলা স্বাস্থ্য সেৱা বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়ত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত উপস্থিত থকা স্বাস্থ্য সেৱা বিভাগৰ যুটীয়া সঞ্চালক বৰচিং ৰংপিয়ে জিলাখনত বৰ্তমান এহেজাৰ ৩৯ গৰাকী যক্ষ্মা ৰোগী আছে বুলি জানিবলৈ দিয়ে। **চিৰাং** জিলাত যক্ষ্মা ৰোগ প্ৰতিৰোধী সজাগতা অভিযানৰ অংশ হিচাপে আজি সাংসদ জয়ন্ত বসুমতাৰীয়ে পাঁচখন পৰীক্ষাগাৰযুক্ত এম্বুলেন্স উদ্বোধন কৰে। সাংসদগৰাকীয়ে জনসাধাৰণক সামাজিক মাধ্যমযোগে যক্ষ্মাৰ বিৰুদ্ধে সজাগতা কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। **শ্ৰীভূমিৰ** কৰিমগঞ্জ অসামৰিক চিকিৎসালয় আৰু **মৰিগাঁও** জিলাৰ অসামৰিক চিকিৎসালয়তো আজি যক্ষ্মা ৰোগ মুক্ত কৰাৰ উদ্দেশ্যেৰে এশদিনীয়া অভিযানৰ কাৰ্যসূচী আৰম্ভ কৰা হয়।

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিংতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০

কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ সম্ভাৱনাসমূহ বিকশাই তুলি অঞ্চলটোৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে প্ৰচেষ্টা চলাই আছে বুলি আজি উত্তৰ পূৱ উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত অষ্টলক্ষ্মী মহোৎসৱৰ আজিৰ কাৰ্যসূচীত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে কালি মুকলি কৰা ৩ দিনীয়া এই মহোৎসৱত ২৫০গৰাকীৰো অধিক শিল্পীয়ে হস্তশিল্প, হস্ততাঁত, বস্ত্ৰ, উদ্যানশস্যৰ উপৰি ৩৪ বিধ ভৌগলিক সূচ্যাংক অৰ্থাৎ জি আই টেগ থকা সামগ্ৰী প্ৰদৰ্শন কৰা হৈছে। মহোৎসৱৰ কাৰ্যসূচীৰ অংশ হিচাপে ক্ৰেতা বিক্ৰেতাৰ সন্মিলন, ফেশ্বন শ্বো আদিও অনুষ্ঠিত হৈছে। আজিৰ অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই অংশ লৈ এই মহোৎসৱে বিভিন্ন ক্ষেত্ৰৰ লোকসকলক একত্ৰিত কৰিবলৈ সমৰ্থ হোৱা বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰীয়ে কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱ মুকলি কৰি দেশৰ বিকাশ ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ অপাৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰিছিল। গুৱাহাটী, আগৰতলা, গেংটক, আইজল, শ্বিলং, ইটানগৰ আৰু ক'হিমাৰ দৰে উত্তৰ পূৰ্বাঞ্চলৰ ভালেমান চহৰৰ মহানগৰসমূহৰ দৰে বৃহৎ সম্ভাৱনা আছে বুলিও শ্ৰীমোদীয়ে মন্তব্য কৰিছিল। অষ্টলক্ষ্মী মহোৎসৱৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে  প্ৰথম আৰু অনন্য এই মহোৎসৱে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত বিনিয়োগৰ অপাৰ সুযোগ মুকলি কৰিব বুলিও আশা প্ৰকাশ কৰিছিল। কাইলৈ মহোৎসৱৰ সামৰণি পৰিব।

০০০

কেন্দ্ৰীয় চৰকাৰে জাগীৰোডত এখন কেন্দ্ৰীয় বিদ্যালয় স্থাপনৰ বাবে অনুমোদন জনোৱাত অঞ্চলটোৰ ৰাইজ উৎফুল্লিত হৈ পৰিছে। কেন্দ্ৰীয় চৰকাৰৰ এই ঘোষণাৰ পাছতেই জাগীৰোড কেন্দ্ৰীয় বিদ্যালয় সুৰক্ষা সমিতিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে।

বাইট

উল্লেখযোগ্য যে হিন্দুস্তান কাগজ নিগমৰ অধীনস্থ নগাওঁ কাগজ কলৰ অধীনত জাগীৰোডত এখন কেন্দ্ৰীয় বিদ্যালয় চলি আছিল যদিও কাগজ কল বন্ধ হোৱাৰ পাছত ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সন্দৰ্ভত অনিশ্চয়তাৰ সৃষ্টি হৈছিল। কেন্দ্ৰীয় বিদ্যালয়খন স্থাপনৰ বাবে জনোৱা অনুমোদনে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলক সকাহ দিছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কেন্দ্ৰীয় মন্ত্ৰীসভাই ৮৫ খন নতুন কেন্দ্ৰীয় বিদ্যালয় আৰু ২৮ খন নতুন নৱোদয় বিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছে। জাগীৰোডৰ কেন্দ্ৰীয় বিদ্যালয়খনৰ উপৰি শোণিতপুৰ, চৰাইদেউ, দক্ষিণ শালমাৰা মানকাচৰ, পশ্চিম কাৰ্বি আংলং আৰু মাজুলীত নতুনকৈ নৱোদয়  বিদ্যালয় স্থাপন কৰাৰ কথা মন্ত্ৰীসভাই ঘোষণা কৰিছে।

০০০

গুৱাহাটী মহানগৰীৰ সমীপৰ সোণাপুৰৰ আমপ্ৰীভেলীত আজিৰে পৰা দুদিনীয়াকৈ কমলা উৎসৱ অনুষ্ঠিত হৈছে। সোণাপুৰৰ ৰসাল আৰু সুমিষ্ট কমলাক বিশ্বমুখী কৰাৰ প্ৰচেষ্টাৰে অসম-মেঘালয় সীমান্তৱৰ্তী দন্দুৰাইত আজিৰে পৰা এই উৎসৱৰ আয়োজন কৰা হৈছে। পাহাৰীয়া অঞ্চলটোৰ বিস্তীৰ্ণ এলেকাত কৰা কমলা খেতি প্ৰত্যক্ষ কৰিবলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লোক অঞ্চলটোত উপস্থিত হৈছে। অসম মেঘালয় সীমান্তৱৰ্তী বৃহত্তৰ আমপ্ৰী অঞ্চলৰ বান্দৰগোগ, মাগুৰচিলা, দন্দুৰাই, মাৰকাং, কলংপুৰ, কাচমলাকে ধৰি কেইবাখনো গাওঁ প্ৰচুৰ পৰিমাণে এই সময়ছোৱাত কমলা উৎপাদন হয়। এটা স্থানীয় সংস্থাই দেশী বিদেশী পৰ্যটকক আকৰ্ষণৰ বাবে আয়োজন কৰা এই উৎসৱৰ প্ৰথম দিনাই অগণন লোকৰ সমাগম হৈছে। উৎসৱৰ সৈতে সংগতি ৰাখি বস্ত্ৰ আৰু খাদ্য মেলাও অনুষ্ঠিত হৈছে।

০০০

পলিঅ’ ৰোগ নিৰ্মূলৰ উদ্দেশ্যেৰে কাইলৈ অসমৰ ২৭ খন নিৰ্বাচিত জিলাত উপ-ৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। **গোলাঘাট** জিলাত এই উদ্দেশ্যেৰে কাইলৈ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ মাতৃ আৰু শিশু চিকিৎসা বিভাগত পুৱাৰে পৰা প্ৰতিষেধক প্ৰদান কৰা হ’ব। ইয়াৰ লগতে জিলাখনৰ মুঠ ৮৮৯টা প্ৰতিষেধক প্ৰদান কেন্দ্ৰত ডেৰ লাখতকৈও অধিক শিশুক পলিঅ’ প্ৰতিষেধক প্ৰদান কৰা হ’ব। একেদৰে **চৰাইদেউ** জিলাত ৬০ হাজাৰৰ অধিক শিশুক ৮ৰ পৰা ১০ ডিচেম্বৰৰ ভিতৰত পলিঅ’ প্ৰতিষেধক প্ৰদান কৰা হ’ব। এই অভিযান সফল কৰিবলৈ প্ৰতিটো বিভাগক সহযোগিতা আগবঢ়াবলৈ চৰাইদেউ স্বাস্থ্য বিভাগে আহ্বান জনাইছে।

০০০

যশস্বী সাহিত্যিক তথা সাংবাদিক হোমেন বৰগোহাঞিৰ আজি ৯৩ সংখ্যক জন্মবাৰ্ষিকী। এই উপলক্ষে বিশিষ্ট কথাশিল্পীগৰাকীলৈ শ্ৰদ্ধা প্ৰদৰ্শন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ সমাজ জীৱনলৈ তেওঁ আগবঢ়োৱা অৱদান প্ৰতিজন অসমীয়াই চিৰদিন মনত ৰাখিব বুলি সামাজিক মাধ্যমযোগে অৱগত কৰে। উল্লেখযোগ্য যে প্ৰথিতযশা সাহিত্যিকগৰাকীৰ ওপজা দিনতে ৰাজ্য চৰকাৰে ২০২৪ বৰ্ষৰ সাহিত্যিক পেঞ্চন আৰু বঁটা লাভ কৰা সাহিত্যিকসকলক সম্বৰ্ধনা জনায়। উচ্চ শিক্ষা বিভাগে গুৱাহাটী বিশ্ববিদ্যালয়ত আয়োজন কৰা কাৰ্যসূচীটোত ৩১ গৰাকী বিশিষ্ট সাহিত্যিকলৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ উপস্থিতিত এই সন্মান আগবঢ়োৱা হয়। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত, শিক্ষা উপদেষ্টা ড০ দেৱব্ৰত দাসকে ধৰি বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০

সশস্ত্ৰ বাহিনীৰ পতাকা দিৱস উপলক্ষে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেনা বাহিনীৰ লোকসকলৰ ত্যাগ, সাহস আৰু দৃঢ়তাক অভিবাদন জনায়। তেওঁ কয়, যে সেনা জোৱানসকলৰ সাহস আৰু ত্যাগে দেশৰ প্ৰতিগৰাকী নাগৰিকক স্বদেশৰ প্ৰতি দায়িত্বশীল হবলৈ শিকোৱাৰ লগতে প্ৰেৰণা যোগায়। এই দিৱস উপলক্ষে তেওঁ সশস্ত্ৰ বাহিনীৰ পতাকা নিধিলৈ বৰঙণি আগবঢ়াবলৈ দেশৰ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। গুৱাহাটীৰ ৰাজভৱনতো আজি এই দিৱস উপলক্ষে কাৰ্যসূচী গ্ৰহণ কৰা হয়। ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যৰ উপস্থিতিত অনুষ্ঠিত এই দিৱসত সশস্ত্ৰ বাহিনীৰ জোৱান, প্ৰাক্তন সেনা বিষয়া তথা জোৱান আৰু দেশৰ বাবে আত্মবলিদান দিয়া জোৱানসকলৰ পৰিয়ালৰ সদস্যক সন্মানিত কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপাল শ্ৰীআচাৰ্যই শ্বহিদসকলৰ পৰিয়ালবৰ্গ তথা প্ৰাক্তন সেনা বিষয়াসকলৰ ত্যাগক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত অংশ হিচাপে ৰাজ্যপালগৰাকীয়ে ৰাজ্যখনৰ প্ৰাক্তন সৈনিকসকলৰ কল্যাণ আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত সৈনিক কল্যাণ সঞ্চালকালয়ে কাৰ্যকলাপ সম্পৰ্কত আলোকপাত কৰা এখন দেৱাল আৰু এখন টেবুল কেলেণ্ডাৰ মুকলি কৰে। অনুষ্ঠানত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসো উপস্থিত থাকে।

০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত আজি নিশা আঠ বাজি দুই মিনিটত বনভোজৰ বতৰ - হাঁহি-ধেমালি, পৰিবেশ আৰু ইয়াৰ প্ৰভাৱ শীৰ্ষক এটা অনুষ্ঠানৰ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ লগতে অৰুণিমা গোস্বামী আৰু

পৰিস্মিতা দিহিঙ্গীয়া এই অনুষ্ঠানত উপস্থিত থাকিব। টেলিফোনযোগে আমাৰ সংবাদদাতা আৰু কিছু সচেতন ব্যক্তি এই অনুষ্ঠানত সংযোজিত হ'ব।

০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ যুটীয়া সচিব, অসমৰ প্ৰাক্তন ৰঞ্জী ক্ৰিকেটাৰ দেৱজিৎ শইকীয়াই আজি ডুবাইত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ ব'ৰ্ডৰ সভাত ভাৰতক প্ৰতিনিধিত্ব কৰে। উল্লেখযোগ্য যে পূৰ্বে এই দায়িত্বত বি চি চি আইৰ সচিব জয় শ্বাহ আছিল। কিন্তু শ্বাহ সম্প্ৰতি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ অধ্যক্ষ হোৱাত বি চি চি আইৰ ফালৰ পৰা আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদত ব'ৰ্ড অধ্যক্ষৰূপে দেৱজিৎ শইকীয়াই প্ৰতিনিধিত্ব কৰিব।

০০০০০০

এডিলেইডত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয় টেষ্ট মেচত আজি দ্বিতীয় দিনাৰ খেলৰ অন্তত ভাৰতে দ্বিতীয় ইনিংছত ৫ উইকেটৰ বিনিময়ত ১২৮ ৰান সংগ্ৰহ কৰে। আজি দ্বিতীয় দিনৰ খেল আৰম্ভ হোৱাৰ পাছত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ট্ৰেভিছ হেডৰ শতকৰ সহায়ত ৩৭৭ ৰান সংগ্ৰহ কৰি ১৫৭ ৰানৰ অগ্ৰগতি লাভ কৰে। ভাৰতে নিজৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰি পুনৰ বেটিং বিপৰ্যয়ৰ সন্মুখীন হয় আৰু বৰ্তমান ভাৰতে ৫ উইকেট হাতত থকাৰ সময়ত ঘৰুৱা দলটোতকৈ ২৯ ৰানত পিছপৰি আছে।

০০০

অসম চৰকাৰে  আয়োজন কৰা দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ বিধানসভা সমষ্টিভিত্তিক প্ৰতিযোগিতাসমূহ আজিৰে পৰা বৰপেটা জিলাত অনুষ্ঠিত হৈছে। আজি বৰপেটা বিধানসভা সমষ্টিত প্ৰতিযোগিতাৰ  শুভাৰম্ভ কৰা হয়। জিলাখনৰ ক্ৰীড়া  বিভাগৰ দায়িত্বত থকা অতিৰিক্ত জিলা আয়ুক্ত খনীন্দ্ৰ দাসে এই প্ৰতিযোগিতা উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত জিলাখনৰ কেইবাগৰাকী প্ৰবীন খেলুৱৈ উপস্থিত থাকে। ৪ দিনীয়াকৈ হবলগীয়া এই প্ৰতিযোগিতাত এথলেটিক্স, ডবা, কাবাডী আদি খেল খেলোৱা হ'ব। উল্লেখযোগ্য যে, জিলাখনত এইবাৰ খেল মহাৰণৰ বাবে ৩ লাখ ২৪ হাজাৰ গৰাকী প্ৰতিযোগীয়ে নাম পঞ্জীয়ন কৰিছে। কোকৰাঝাৰ জিলাৰ দোতমা বিধানসভা সমষ্টিৰ খেল মহাৰণৰ কাৰ্যসূচী আজি দোতমা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আৰম্ভ হয়। কোকৰাঝাৰ পশ্চিম সমষ্টিৰ বিধায়ক ৰবীৰাম নাৰ্জাৰীয়ে আজি প্ৰতিযোগিতা উদ্বোধন কৰে।

০০০

ওমানৰ মাস্কটত আজিৰে পৰা ১৫ ডিচেম্বৰলৈ হ'বলগীয়া মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত কাইলৈ ভাৰত-বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অধিনায়ক জ্যোতি সিঙৰ নেতৃত্বত ভাৰতীয় দলটোত উপ অধিনায়ক সাক্ষী ৰাণা আৰু চিনিয়ৰ দলৰ হৈ খেলি অহা দিপিকা, বৈষ্ণৱীকে ধৰি খেলুৱৈসকল আছে। যোৱা বছৰ ফাইনেলত দক্ষিণ কোৰিয়াক ২-১ গলত পৰাজিত কৰি ভাৰতে প্ৰথমবাৰৰ বাবে খিতাপ দখল কৰিছিল। প্ৰতিযোগিতাৰ পুল-এত স্থান লাভ কৰা ভাৰতীয় দলটোৱে চীন, থাইলেণ্ড আৰু মালয়েছিয়াৰ বিৰুদ্ধে খেলিব। প্ৰতিটো পুলৰ পৰা শীৰ্ষ দুটা দলে ছেমি ফাইনেলত স্থান লাভ কৰাৰ বিপৰীতে অহা বছৰ চিলিত হ'বলগীয়া জুনিয়ৰ বিশ্বকাপ প্ৰতিযোগিতাত স্থান লাভ কৰিব।

০০০

সমাপ্ত